জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬১/২০২১

# ৰাজ্যখনৰ মহিলা সবলীকৰণৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে 'অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু ৰেহাই আঁচনি, ২০২১'ৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

## প্ৰতিশ্ৰুতি অনুসৰি ১ লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ বাবে চৰকাৰ বদ্ধপৰিকৰ ঃ মুখ্যমন্ত্ৰী

## প্ৰতিটো বিধানসভা সমষ্টিতে অতিৰিক্ত ৫ হাজাৰ হিতাধিকাৰীক 'অৰুণোদয়' আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা

**দিছপুৰ, ২৮ নৱেম্বৰ ঃ** ৰাজ্যখনৰ মহিলা সবলীকৰণৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তেজপুৰৰ কলেজিয়েট উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত এক অনুষ্ঠানত 'অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু ৰেহাই আঁচনি, ২০২১' (ক্ষিপ্ৰ আদায়কাৰী শিতান) শীৰ্ষক অভিলাষী আঁচনিখনৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বিভিন্ন ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ গ্ৰহণ কৰা ৫ গৰাকী মহিলাক প্ৰতীকী হিচাপে ঋণ ৰেহাইৰ চেক প্ৰদান কৰি এই আঁচনিখন শুভাৰম্ভ কৰে। ৰাজ্যখনৰ মুঠ ২৪ লাখ ঋণগ্ৰস্ত মহিলা উপকৃত হ'বলগীয়া এই আঁচনিৰ অধীনত শোণিতপুৰ জিলাৰ ৫৯,৪৬৮ গৰাকী মহিলাৰ প্ৰতিগৰাকীয়ে ১৬ হাজাৰ টকাৰ পৰা ২৫ হাজাৰ টকা পৰ্যন্ত ঋণ ৰেহাইৰ চেক লাভ কৰিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ দুখীয়া ঋণগ্ৰস্ত মহিলাসকলক সকাহ দিয়াৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলি নিৰ্বাচনৰ সময়ত প্ৰদান কৰা প্ৰতিশ্ৰুতি চৰকাৰ গঠনৰ ৬ মাহৰ পিছতে আখৰে আখৰে পালন কৰিবলৈ সুযোগ পোৱাটো চৰকাৰ এখনৰ বাবে অতিশয় গৌৰৱৰ কথা। চৰকাৰৰ এই ঐতিহাসিক পদক্ষেপে ৰাজ্যৰ দৰিদ্ৰ মহিলাসকলক এক দীৰ্ঘদিনীয়া দুঃশ্চিন্তাৰ পৰা মুক্ত কৰাৰ লগতে ন-উদ্যমেৰে গঠনমূলক কামত নিজকে নিয়োজিত কৰাত প্ৰেৰণা যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

আজি শুভাৰম্ভ কৰা আঁচনিখনৰ প্ৰথম পৰ্যায়ত নিয়মীয়াভাৱে ঋণ পৰিশোধ কৰি থকা প্ৰায় ১১ লাখ মহিলালৈ ২৫ হাজাৰ টকা পৰ্যন্ত উদগণি আগবঢ়োৱা হ'ব বুলি উল্লেখ কৰি এই মহিলাসকলক তেওঁলোকৰ ঋণৰ বাকী থকা কিস্তিসমূহো নিয়মীয়াভাৱে পৰিশোধ কৰি যাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এই আঁচনিৰ অধীনত লাভ কৰা উদগণিৰ ধনৰাশি ঋণ পৰিশোধৰ বাবে অন্যান্য কোনোধৰণৰ কামত ব্যয় নকৰিবলৈও তেওঁ

হিতাধিকাৰীসকলৰ প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য যে, এই আঁচনিৰ পৰৱৰ্তী পৰ্যায়ত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ পৰিশোধ কৰিবলৈ অসমৰ্থ হোৱা মহিলাসকলৰ ঋণ ৰেহাইৰ বাবে তেওঁলোকৰ বকেয়া ধনৰাশি পোনপটীয়াভাৱে ঋণ লোৱা প্ৰতিষ্ঠানটোক প্ৰদান কৰা হ'ব। আঁচনিখনৰ অধীনত সামগ্ৰিকভাৱে ৰাজ্যৰ ২৪ লাখ মহিলা উপকৃত হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ সমান্তৰালভাৱে নতুন চৰকাৰখনৰ আন এক প্ৰতিশ্ৰুতি অনুসৰি অহা ১০মে'ৰ পূৰ্বেই ১ লাখ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ বাবেও চৰকাৰ বদ্ধপৰিকৰ বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। সেইদৰে 'অৰুণোদয়' আঁচনিৰ অধীনত আগবঢ়োৱা মাহিলী সাহায্যৰ পৰিমাণ পৰ্যায়ক্ৰমে বৃদ্ধি কৰি গৈ থকাৰ লগতে ৰাজ্যৰ প্ৰতিঘৰ দুখীয়া পৰিয়ালকে যাতে এই আঁচনিৰ অধীনত সামৰি ল'ব পৰা যায় তাৰ বাবে প্ৰতিটো বিধান সভা সমষ্টিতে অতিৰিক্ত ৫ হাজাৰ গৰাকী হিতাধিকাৰীক 'অৰুণোদয়' আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ঐতিহ্যমণ্ডিত তেজপুৰ চহৰক ৰাজ্যখনৰ ভিতৰতে এখন জাকতজিলিকা চহৰ হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে বিভিন্ন পৰিকল্পনা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেজপুৰত এটা অত্যাধুনিক কনভেন্সন চেণ্টাৰ নিৰ্মাণৰ কাম চলি আছে আৰু এই কেন্দ্ৰতে ৰাজ্যৰ উপায়ুক্তসকলৰ পৰৱৰ্তী সন্মিলন আয়োজন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আনহাতে তেজপুৰ চহৰৰ পৰা মিছন চাৰিআলিলৈকে থকা বৰ্তমানে অব্যহৃত ৰেল লাইনটো আতঁৰাই চহৰখনৰ পথ আহল-বহল কৰাৰ বাবেও প্ৰচেষ্টা হাতত লোৱা হ'ব বুলি তেওঁ কয়। ৰাজ্যৰ সাংস্কৃতিক জগতৰ তিনি উজ্জ্বল জ্যোতিষ্ক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা আৰু নটসূৰ্য ফণী শৰ্মাৰ সমাধিস্থলীক আটকধুনীয়াকৈ সজাই তোলা হ'ব বুলি ঘোষণা কৰাৰ লগতে মিছন চাৰিআলিত প্ৰস্তাৱিত উৰণ সেতুৰ কামো অতি সোনকালে আৰম্ভ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

বিত্ত বিভাগৰ আয়ুক্ত সচিব জয়ন্ত নাৰ্লিকাৰে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলেও ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ পল্লৱ লোচন দাস, বিধায়ক পৃথ্বীৰাজ ৰাভা, পদ্ম হাজৰিকা, কৃষ্ণকমল তাঁতি আৰু গণেশ লিম্বু, ৰাজ্য চৰকাৰৰ বিভিন্ন নিগম-নিকায়ৰ অধ্যক্ষ-উপাধ্যক্ষসকল, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তিৰ লগতে জিলাখনৰ 'অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু ৰেহাই আঁচনি' (ক্ষিপ্ৰ আদায়কাৰী শিতান)ৰ হিতাধিকাৰী মহিলাসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**

**২৮-১১-২০২১**